জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১০/২০২১

## শদিয়াৰ চপাখোৱাত ভূমি পট্টা বিতৰণৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## ১৩২/৩৩ কেভি চপাখোৱা গ্ৰীড উপকেন্দ্ৰৰ সেৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ৰাজ্যখনৰ জনসাধাৰণৰ সকলো অধিকাৰ সুৰক্ষিত কৰি এখন বৰ অসম নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে দ্ৰুত গতিত আগবাঢ়িছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৪ অক্টোবৰ ঃ** ৰাজ্যৰ খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে লোৱা শক্তিশালী পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱা ৰাজহুৱা খেলপথাৰত আয়োজিত এক অনুষ্ঠানত ভূমি পট্টা বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে শদিয়া মহকুমাত ভূমি পট্টা প্ৰদানৰ বাবে ১০৪৩ গৰাকী হিতাধিকাৰীক বাছনি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি আনুষ্ঠানিকভাৱে এনে ৫ গৰাকী হিতাধিকাৰীক ভূমিৰ পট্টা প্ৰদান কৰি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শদিয়া এটা ট্ৰাইবেল বেল্ট এণ্ড ব্লক হোৱা বাবে আহোম, চুতীয়া, মৰাণ-মটক, গোৰ্খা আদি জনগোষ্ঠীয় লোকসকলে ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছিল। এই লোকসকলকো ভূমিৰ স্বত্ব প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কেবিনেট প্ৰস্তাৱযোগে এই জনগোষ্ঠীসমূহক এক সংৰক্ষিত শ্ৰেণী হিচাপে সন্নিৱিষ্ট কৰি ভূমি পট্টা প্ৰদানৰ উদ্যোগ লৈছে। ৰাজ্য চৰকাৰৰ বাবে এয়া এক বৃহৎ সফলতা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ সাতটা দশকৰ পিছত শদিয়াত আহোম, চুতীয়া, মৰাণ-মটক, গোৰ্খা আদি জনগোষ্ঠীয় লোকসকলে ভূমিপট্টা লাভ কৰিবলৈ সক্ষম হ'ল। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে জনজাতীয় কৃষ্টি-সংস্কৃতি সংৰক্ষণৰ উদ্দেশ্যে চৰকাৰে নতুনকৈ ট্ৰাইবেল বেল্ট এণ্ড ব্লক গঠন কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে ভূমি সংক্ৰান্তীয় বিভিন্ন সমস্যা দূৰীকৰণৰ অৰ্থে চৰকাৰে 'মিছন বসুন্ধৰা'ৰ দৰে যুগান্তকাৰী পদক্ষেপ ইতিমধ্যে আৰম্ভ কৰিছে। ইয়াৰ অধীনত শদিয়াকে ধৰি সমগ্ৰ অসমতে যোৱা ২ অক্টোবৰৰ পৰা ভূমিৰ জৰীপৰ কাম আৰম্ভ হৈছে। মহাভাৰতৰ দিনৰ পৰাই শদিয়াই এক সুকীয়া পৰিচয় বহন কৰি আহিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইতিহাস আৰু পৰ্যটনৰ ফালৰ পৰা শদিয়া অসমৰ ভিতৰতে এখন গুৰুত্বপূৰ্ণ স্থান। দেশ-বিদেশৰ পৰ্যটকৰ বাবে অঞ্চলটোক এক আকৰ্ষণীয় স্থান হিচাপে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনীয়তা আছে। এই ক্ষেত্ৰত চৰকাৰে বিভিন্ন পৰিকল্পনা লোৱা বুলিও তেওঁ মন্তব্য কৰি কয় যে শদিয়াৰ বানপানীৰ সমস্যাটো সমাধানৰ অৰ্থে কুণ্ডিল নদীত বছৰি খনন কৰাৰো পৰিকল্পনা লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক ৫ বছৰত শদিয়াৰ আমূল পৰিৱৰ্তন সাধনৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

মুখ্যমন্ত্ৰী শৰ্মাই ৰাজ্যৰ অনুসূচিত জাতিৰ লোকসকলে ট্ৰাইবেল বেল্ট এণ্ড ব্লকত ভূমিৰ অধিকাৰ লাভ কৰাৰো পোষকতা কৰে। তেওঁ লগতে কয় যে ৰাজ্যখনৰ জনসাধাৰণৰ সকলো অধিকাৰ সুৰক্ষিত কৰি এখন বৰ অসম নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে দ্ৰুত গতিত আগবাঢ়িছে।

এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই শদিয়াত ১৩২/৩৩ কেভি চপাখোৱা গ্ৰীড উপকেন্দ্ৰ এটাও আজি আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰে। উল্লেখ্য যে ভাৰত চৰকাৰ আৰু বিশ্ব বেংকৰ পুঁজিৰ দ্বাৰা এন ই আৰ পাৱাৰ চিষ্টেম ইমপ্ৰুভমেণ্ট প্ৰজেক্টৰ অধীনত নিৰ্মিত এই উপকেন্দ্ৰটো নিৰ্মাণত ৭৩.৮৭ কোটি টকা ব্যয় হৈছে । এই উপলক্ষে আয়োজিত অনুষ্ঠানত তেওঁ কয় যে শদিয়াবাসীয়ে দীৰ্ঘদিন ধৰি বিদ্যুতৰ সমস্যাত ভুগি আহিছিল। এই নতুন গ্ৰীড উপকেন্দ্ৰটো শুভাৰম্ভ হোৱাৰ লগে লগে অঞ্চলবাসীৰ এক দীৰ্ঘদিনীয়া সমস্যা সমাধান হ'ল। এতিয়াৰে পৰা শদিয়াবাসীয়ে মানবিশিষ্ট বিদ্যুৎ লাভ কৰাৰ উপৰি অঞ্চলটোত বিভিন্ন উদ্যোগ, কাৰখানা আদি স্থাপনৰ পথো মুকলি হ'ল বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীৰ আজিৰ এই কাৰ্যসূচীত ৰাজহ মন্ত্ৰী যোগেন মহন, শক্তি মন্ত্ৰী বিমল বৰা, সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলীন চেতিয়া, ভাস্কৰ শৰ্মা, পোনাকন বৰুৱাকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**০৪-১০-২০২১**